দেশ

১ নৱেম্বৰত ৰাহুল গান্ধীৰ ‘চলো দিল্লী’ সমদল ! লোৱা নাই অনুমতি: দিল্লী আৰক্ষী

SIRক লৈ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে আজি ‘Public Impeachment’ কাৰ্যসূচী গ্ৰহণ কৰিব INDIA মিত্ৰজোঁটে। বৰষুণৰ বাবে শুকুৰবাৰৰ কাৰ্যসূচী শনিবাৰলৈ পিছুৱাই দিয়া হৈছিল। কাইলৈ দুপৰীয়া ১২ বজাত মিন্টো ৰোডৰ পৰা ৰামলীলা ময়দানলৈ ‘চলো দিল্লী’ সমদল উলিওৱা হ’ব। বিৰোধীৰ অভিযোগৰ বিপৰীতে বিজেপিয়ে ৰাহুল গান্ধীৰ দাবী নাকচ কৰিছে।

প্ৰকাশ: ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ৩:০৫

(NewzNow)

নতুন দিল্লী, ৩১ অক্টোবৰঃ ভোটাৰ তালিকাৰ বিশেষ নিবিড় সংশোধন (SIR)ক লৈ নিৰ্বাচন আয়োগৰ বিৰুদ্ধে প্ৰতিবাদ তীব্ৰতৰ কৰিছে বিৰোধী INDIA মিত্ৰজোঁটে। আজি শনিবাৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে ‘Public Impeachment’ শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰাৰ কথা। আনহাতে, কাইলৈ ১ নৱেম্বৰত দিল্লীৰ মিন্টো ৰোডৰ পৰা ৰামলীলা ময়দানলৈ ‘চলো দিল্লী’ সমদল উলিয়াব বিৰোধী মিত্ৰজোঁটে।

প্ৰথমে শুকুৰবাৰে অনুষ্ঠিত হোৱাৰ কথা আছিল এই ‘Public Impeachment’ কাৰ্যসূচী। কিন্তু দিল্লীত ধাৰাসাৰ বৰষুণৰ বাবে কাৰ্যসূচী এদিন পিছুৱাই শনিবাৰলৈ নিৰ্ধাৰণ কৰা হয়। কংগ্ৰেছৰ সাধাৰণ সম্পাদক জয়ৰাম ৰমেশে সামাজিক মাধ্যমযোগে এই কথা জনাইছিল।

© 2026 NewzNow

প্ৰকাশিত প্ৰতিবেদন অনুসৰি, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ ১০, ৰাজাজী মাৰ্গৰ বাসগৃহত এই কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ কথা। কাৰ্যসূচীত বিৰোধী দলসমূহৰ শীৰ্ষ নেতাৰ লগতে নাগৰিক সমাজৰ প্ৰতিনিধি আৰু SIRৰ ফলত ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন হোৱা বুলি দাবী কৰা লোকসকলেও নিজৰ অভিজ্ঞতা প্ৰকাশ কৰাৰ কথা।

কাইলৈ ৰাহুল গান্ধীৰ নেতৃত্বত সমদল

লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে জনোৱা অনুসৰি, ১ নৱেম্বৰত দুপৰীয়া ১২ বজাত মিন্টো ৰোড-কনট প্লেচৰ সংযোগস্থলৰ পৰা সমদল আৰম্ভ হ'ব। আজমেৰী গে'ট হৈ সমদলটো ৰামলীলা ময়দানত উপস্থিত হ'ব। তাতেই INDIA মিত্ৰজোঁটৰ প্ৰতিবাদী সমাৰেশ অনুষ্ঠিত হ'ব।

ৰাহুল গান্ধীয়ে ৰাজনৈতিক দলৰ লগতে নাগৰিক সমাজৰ প্ৰতিনিধি, সাংবাদিক আৰু সাধাৰণ নাগৰিককো এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

SIRক লৈ বিৰোধীৰ অভিযোগ

কংগ্ৰেছ নেতা শচীন পাইলটে অভিযোগ কৰিছে যে নিৰ্বাচন আয়োগৰ কাৰ্যকলাপ সম্পৰ্কে যথেষ্ট তথ্য আৰু নথি-পত্ৰৰ আধাৰত প্ৰশ্ন উত্থাপন কৰা হৈছে। তেওঁৰ দাবী, প্ৰায় ১৩.৩ কোটি লোকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন হোৱাৰ বিষয়টোৱে নাগৰিকৰ ভোটাধিকাৰৰ ওপৰত গুৰুতৰ প্ৰশ্নৰ সৃষ্টি কৰিছে।

আনহাতে, All India Students' Association (AISA)ৰ সভানেত্ৰী নেহা বৰাইও সমাৰেশলৈ সমৰ্থন আগবঢ়াইছে। তেওঁৰ দাবী, মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগ, SIR প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ কৰা আৰু ২০২৩ চনৰ আইনখন প্ৰত্যাহাৰ কৰিব লাগে।

Cockroach Janta Party (CJP)ৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকেও INDIA মিত্ৰজোঁটৰ ১ নৱেম্বৰৰ সমাৰেশলৈ সমৰ্থন জনাইছে।

বিজেপিৰ প্ৰত্যুত্তৰ, দিল্লীত যান-বাহন নিয়ন্ত্ৰণ

ইফালে, দিল্লী সমাৰেশলৈ মানুহ অহাত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বাধা দিয়াৰ চেষ্টা কৰা বুলি ৰাহুল গান্ধীয়ে কৰা অভিযোগ নাকচ কৰিছে বিজেপিয়ে। দলটোৰ মুখপাত্ৰ সম্বিত পাত্ৰই ৰাহুল গান্ধীক অভিযোগৰ সমৰ্থনত প্ৰমাণ দাখিল কৰিবলৈ প্ৰত্যাহ্বান জনাইছে।

আনহাতে, ১ নৱেম্বৰৰ সমদল আৰু সমাৰেশক কেন্দ্ৰ কৰি দিল্লীত যান-বাহন চলাচলত বিশেষ নিয়ন্ত্ৰণ আৰোপ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সমাৰেশৰ বাবে ৰামলীলা ময়দানত প্ৰস্তুতিও চলি আছে।

SIR আৰু নিৰ্বাচনী প্ৰক্ৰিয়াৰ স্বচ্ছতাক লৈ শাসকীয় পক্ষ আৰু বিৰোধীৰ মাজত চলি থকা ৰাজনৈতিক বিতৰ্কৰ মাজতে কাইলৈৰ সমাৰেশৰ ওপৰত দেশজুৰি ৰাজনৈতিক মহলৰ দৃষ্টি নিবদ্ধ হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/141/india-bloc-sir-protest-delhi-police-permission-row